**প্ৰেছ বাৰ্তা নং ঃ ১১৪/২০২২**

**শ্ৰীশ্ৰী বটদ্ৰৱা থানত কেইবাটাও প্ৰকল্পৰ পুনৰনিৰ্মাণ আৰু উন্নয়নৰ কামৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ২২ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলীয়া এই প্ৰকল্পসমূহৰ কাম ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ সভাগৃহ, সত্ৰীয়া চ'ৰা, কাৰ্যালয় গৃহ আৰু দামোদৰ আতা যাত্ৰীনিবাস গৃহৰ পুনৰ নিৰ্মাণ আৰু উন্নয়নৰ কাম-কাজৰ শুভাৰম্ভ কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বটদ্ৰৱা থানত গুৰুজনাৰ শ্ৰীচৰণত ভক্তি অৰ্ঘ্য নিবেদন কৰাৰ লগতে ৰাজ্যবাসীৰ কুশল মঙ্গল কামনাৰে প্ৰাৰ্থনা জনায়। তেওঁ লগতে শ্ৰীশ্ৰী দৌল মন্দিৰতো সেৱা আগবঢ়ায়।

বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ শুভাৰম্ভ উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২২ কোটি টকা ব্যয় সাপেক্ষে আজি শুভাৰম্ভ হোৱা এই প্ৰকল্পসমূহৰ কাম ১৮ মাহৰ ভিতৰত সমাপ্ত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। নাটঘৰ আৰু মূল থানৰ উন্নয়নৰ কাম ইতিমধ্যে শেষ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তৃতীয় পৰ্যায়ত হাতীপুখুৰীৰ উন্নয়ন, আকাশী গংগাকে ধৰি অন্যান্য উন্নয়নমূলক কাম-কাজ হাতত লোৱা হ'ব। তেওঁ কয় যে বটদ্ৰৱাত প্ৰায় ২০০ কোটি টকা ব্যয় সাপেক্ষে চলি থকা প্ৰকল্পটোৰ কাম বৰ্তমানৰ ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্ষপূৰ্তিত উদ্বোধন কৰা হ'ব। ইতিমধ্যে এই কাম অতি তৎপৰতাৰে চলি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শনৰ লগত কেইবাটাও দিশ জড়িত হৈ আছে। বটদ্ৰৱা মহাপুৰুষগৰাকীৰ জন্মস্থান আৰু পাটবাউসী হৈছে মহাপুৰুষগৰাকীৰ কৰ্মস্থান। মুখ্যমন্ত্ৰীয়ে কয় যে পাটবাউসীৰ উন্নয়নৰ কাম চলিত বৰ্ষৰ ভিতৰতে আৰম্ভ কৰা হ'ব। মহাপুৰুষগৰাকীৰ জীৱনগাথা বটদ্ৰৱাৰ পৰা আৰম্ভ হয় আৰু কোচবিহাৰত মহাপ্ৰয়াণ ঘটে। শ্ৰীমন্ত শংকৰদেৱৰ জীৱন পৰিক্ৰমাৰ সৈতে সম্পৰ্কিত পৱিত্ৰ স্থানকে সামৰি গুৰুজনাৰ পদধূলি পৰা সকলো স্থানৰে উন্নতি সাধন কৰা হ'ব। এই স্থানসমূহত ধৰ্ম যাত্ৰাৰ নতুন চাৰ্কিট অনুসৰি নামঘৰ আৰু ভকতসকলৰ থকা সুবিধা সন্নিৱিষ্টকৰণেৰে স্থানসমূহৰ উন্নয়ন সাধন কৰা হ'ব। আই কনকলতাৰ নামেৰে বিশেষ অনুষ্ঠান এটা গঢ়ি তোলাৰ বাবে পোষকতা কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বটদ্ৰৱাত শৈক্ষিক আৰু বৌদ্ধিক অনুষ্ঠান এটা গঢ়ি তোলাৰ বাবেও ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছে। তেওঁ লগতে কয় যে বটদ্ৰৱাত প্ৰায় ২০০ কোটি টকা ব্যয় সাপেক্ষে চলি থকা প্ৰকল্পটোৰ কাম বৰ্তমান চৰকাৰৰ তৃতীয় বৰ্ষপূৰ্তিত উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে দামোদৰ আতাৰ জীৱন আৰু কৰ্মৰাজিৰো আলোকপাত কৰে।

আজিৰ এই অনুষ্ঠানত সত্ৰাধিকাৰ শ্ৰীশ্ৰী দেবানন্দ দেৱগোস্বামী, শ্ৰী যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, বিধায়ক শশীকান্ত দাস, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং প্ৰমুখ্যে বিশিষ্ট ব্যক্তিগণ উপস্থিত থাকে।

# প্ৰেছ বাৰ্তা

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে বটদ্ৰৱাত অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰ্যটনৰ এক অন্যতম কেন্দ্ৰৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে প্ৰায় ২০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি থকা প্ৰকল্পটিৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত সংশ্লিষ্ট বিভাগ আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানক নিৰ্দ্ধাৰিত সময়ত যাতে কাম সম্পূৰ্ণ হয় তাক সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে।

**পুঃডেঃ**
**১৬-০৪-২০২২**